بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**উহুদৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনা সম্পৰ্কে বৰ্ণনা লগতে বিশ্বযুদ্ধৰ পৰা হাত সাৰিবলৈ দোৱাৰ তেহেৰিক**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১২ জানুৱাৰী ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)ৰ অতুলনীয় ভুমিকা সম্পৰ্কে বৰ্ণনা কৰা হৈ আছিল।

এই সম্পৰ্কে আৰু বিতং ব্যাখ্যা এনেদৰে আছে যে ৰছুলুল্লাহ (ছাঃ) সকলোৰে মাজত আছিল যদিও শত্ৰু সকলৰ একেবাৰে মুখামুখি হৈ পৰিছিল। তেতিয়া মাত্ৰ পোন্ধৰ জন চাহাবা তেখেত (ছাঃ)ৰ লগত সেই ঠাইত প্ৰতিস্থিত ভাৱে অটুট ৰৈ আছিল। তাৰে আঠ জন আছিল মুহাজেৰিণ সকলৰ ফালৰ পৰা আৰু সাতজন আছিল আনছাৰ। কিছুমানে কয় যে আঁহজৰত (ছাঃ)ৰ সন্মুখত মাত্ৰ ত্ৰিছজন লোক আছিল, তেওঁলোকৰ সকলোৰে কৈছিল যে, মোৰ মুখমণ্ডল তেখেত (ছাঃ)ৰ মুখমণ্ডলৰ সন্মুখত আছিল আৰু মোৰ প্ৰাণ তেখেত (ছাঃ)ৰ প্ৰাণৰ সন্মুখত আৰু তেখেত (ছাঃ)ৰ ওপৰত শান্তি বৰ্ষিত হওঁক আৰু মোৰ প্ৰাণ কুৰবাণী হওঁক। বিভিন্ন ৰোৱায়েতত প্ৰতিষ্ঠিত থকা চাহাবাৰ সংখ্যা ভিন্ন ভিন্ন বৰ্ণনা কৰিছে । ইয়াৰ এটা কাৰণ এয়াও হ'ব পাৰে যে সেই সময়ৰ পৰিস্থিতি সাপেক্ষে চাহাবাৰ সংখ্যা কম বেছি হৈ আছিল। যিজনে পোন্ধৰজন দেখিছিল তেওঁ পোন্ধৰৰ কম কৈছে। মুঠতে যিজনে যিমান জনক দেখিছিল সেয়াই বৰ্ণনা কৰি গৈছে। চাহাবা সকলে আঁহজৰত (ছাঃ)ৰ ওচৰত আহি জমা হৈছিল আকৌ শত্ৰু সকলৰ আক্ৰমণত ইফাল-সিফাল হৈ পৰিছিল, আকৌ আহি আহি জমা হৈছিল। যিয়েই নহওঁক কথা হ'ল এয়া যে চাহাবা সকলৰ কোনো এজনেও পিছহুহুকি যোৱা নাছিল আৰু কোনেও কোনো ধৰণৰ ভয় কৰা নাছিল যে তেওঁলোকৰ মৃত্যু হ'ব পাৰে। এই কথাৰও উল্লেখ পোৱা যায় যে নবী কৰিম (ছাঃ) য়ে উহুদৰ দিনা চাহাবা সকলৰ এটা জমাতৰ

পৰা মৰণত শৰণ দিয়াৰ অৰ্থাৎ মৰণ পনৰ বয়াত লৈছিল। তাতে বয়াত কৰোঁতা সৌভাগ্যবান সকলৰ সংখ্যা আঠজন বুলি বৰ্ণনা পোৱা যায়। সেই আঠজনৰ পৰা কোনেও শ্বহীদ হোৱা নাছিল।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে উহুদৰ ময়দানত প্ৰতিষ্ঠিত যুদ্ধ ৰূপে আৰু প্ৰাণৰ বাজি লগাই যুদ্ধ কৰোঁতা চাহাবা সকলৰ বিষয়ে বৰ্ণনা কৰোঁতে কৈছে যে যিসকল চাহাবা আহি আঁহজৰত (ছাঃ)ৰ ওচৰত জমা হৈছিল, তেওঁলোক যি প্ৰাণ পণ কৰি ৰণত জপিয়াই পৰিছিল, জগতত তাৰ দৃষ্টান্ত বিৰল। ঘূৰি ঘূৰি যুঁজ দি গৈছিল আৰু তেখেত (ছাঃ)ক বচাবলৈ নিজৰ প্ৰাণৰ বাজি মাৰিছলি। যি আঘাতেই আহিছিল চাহাবা সকলে নিজৰ ওপৰত লৈ লৈছিল লগতে প্ৰত্যাক্ৰমণ চলাই গৈছিল। এয়া আঙুলিৰ মূৰত গণিব পৰা প্ৰাণ পণকাৰী যুদ্ধা কিমান সময় আৰু সেই আক্ৰমণৰ ধুমুহাৰ আগত তিষ্টি থাকিব পাৰে, চাৰিওফালৰ পৰা আক্ৰমণৰ ঢৌ উঠি আহি মুছলমান সকলক ছেদেলি-ভেদেলি কৰি পেলাইছিল। কিন্তু যেতিয়াই শত্ৰুৰ আক্ৰমণ অলপ পাতল হৈছিল মুছলমান সকল এঠাইত জমা হৈ তাৰ প্ৰত্যুত্তৰ দিছিল আৰু আহি আহি আঁহজৰত (ছাঃ)ৰ ওচৰত জমা হৈছিল।

ঈছাই সকলে এয়া দোষাৰোপ কৰে যে আঁহজৰত (ছাঃ)য়ে মিছা মাতা আৰু ভুল বয়ান কৰা জায়েজ বুলি কৈছে। এনেকুৱা ভিত্তিহীন দোষাৰোপৰ উত্তৰ দিওঁতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আমাৰ ছৈয়দ ও মাউলা জনাব মুকাদ্দছ নবী (ছাঃ)ৰ এটা উচ্চ আদৰ্শ ইয়াতে প্ৰমাণিত হয়, সেয়া হ'ল যে (তুৰীয়া শব্দৰ অৰ্থ হ'ল জঁতুৱা ঠাচৰ দৰে মুখেৰে কোৱা শব্দ এটা ভিতৰত তাৰ অৰ্থ বেলেগ হয়) অৰ্থাৎ এনেকুৱা কথা যাৰ অৰ্থ দুটা থাকে। যিয়েই নহওঁক আঁহজৰত (ছাঃ)য়ে মিছা কথা কোৱাৰ পৰা আঁতৰি থাকিবলৈ আদেশ দিছে। জনাব ছৈয়দ মুৰছালিন (ছাঃ)য়ে উহুদৰ যুদ্ধত অকলশৰীয়া হৈ পৰা অৱস্থাত শত্ৰুৰ তৰোৱালৰ সন্মুখত উচ্চস্বৰে কৈ আছিল যে মই মহম্মদ হওঁ। মই আল্লাহৰ নবী হওঁ, মই ইবনে আব্দুল মুত্তালিব হওঁ। নিৰ্ভয়ে তেখেত (ছাঃ)য়ে এই কথাবোৰ কৈ গৈছিল। কিন্তু ঈছা মছীয়ে বিপদৰ সময়ত কঁপি কঁপি অৰ্থাৎ ভয়াতুৰ হৈ নিজৰ শিষ্য সকলক ইয়াৰ বিপৰীতে এয়া শিক্ষা দিছিল যে তেওঁ ঈছা মছীহ বুলি কাকো ক'ব নালাগে, যদিও সেয়া কলে কোনেও তাক হত্যা নকৰিলে হয়।

উহুদৰ যুদ্ধত সেনানায়ক হজৰত মুছাআব বিন উমেৰ (ৰাঃ)য়ে বৰ বীৰত্বৰে সৈতে পতাকা হিফাজতৰ হক আদায় কৰিছিল। হজৰত মিৰ্জা বশিৰ আহমদ চাহাবে লিখিছে যে ইবনে কমাইয়া গৈ হজৰত মুচাআব (ৰাঃ)ৰ সেই হাতত আঘাত হানিছিল যিখন হাতেৰে পতাকা উত্তোলণ কৰি ৰাখিছিল আৰু হাতখন কাটি পেলাইছিল। ইবনে কমাইয়া দ্বিতীয়বাৰ আক্ৰমণ কৰি হজৰত মুছাআব (ৰাঃ)ৰ বুকুত বল্লম হানি দিছিল আৰু মুছাআব (ৰাঃ) বাগৰি মাটিত পৰিছিল। লগে লগে আন এজন মুছলমানে পতাকাখন চম্ভালি লৈ আগবাঢ়ি গৈছিল। এই ঘটনাত যিহেতু মুছাআব (ৰাঃ)ৰ ঢাল খন আঁহজৰত (ছাঃ)ৰ ঢালৰ দৰে আছিল সেয়ে ইবনে কমাইয়া ভাৰিছিল যে তেওঁ মহম্মদ (ছাঃ)ক মাৰি পেলাইছে। নাইবা এয়াও হ'ব পাৰে যে কমাইয়া চয়তানী কৰি লোকক প্ৰবঞ্চনাৰে মুছলমান সকলক নিৰাশ কৰিবলৈ এনেকুৱা প্ৰচাৰ কৰিছিল যে তেওঁ মহম্মদ (ছাঃ)ক মাৰি পেলাইছে। এই খবৰ শুনাৰ লগে লগে মুছলমান সকলৰ উদ্যম ভাঙি পৰিছিল, আৰু তেওঁলোকৰ জামাত ছেদেলি-ভেদেলি হৈ পৰে।

যেনেকৈ বৰ্ণনা কৰা হৈছে যে উহুদৰ যুদ্ধ ময়দানত ক্ষণিক সময়ৰ উদাসীনতাৰ কাৰণে ইছলামী সৈন্যৰ জয় পৰাজয়লৈ পৰিৱৰ্তিত হৈ পৰিছিল। কিন্তু ৰছুলুল্লাহ (ছাঃ)কেই বিশ্বৰ যুদ্ধ ইতিহাসত অতুলনীয় সেনানায়ক আৰু অনতি পলমে সঠিক সিদ্ধান্ত  সামৰি লোৱাৰ দক্ষতাৰ পূৰ্ণ মালিক আছিল বুলি বিশ্বাস কৰা হয়।

তেখেত (ছাঃ)য়ে যুদ্ধৰ পৰিস্থিতি পৰিৱৰ্তনৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল। সেয়ে সংখ্যাত চাৰিগুণ বেছি সৈন্য বাহিনীৰ আগত ভাঙি পৰা মুছলমান বাহিনীক এনেদৰে সংঘটিত কৰি ৰাখিছিল যে শত্ৰু সকলৰ মুছলমান বাহিনীক পৰাস্ত কৰাৰ চয়তানী পৰিকল্পনা কাৰ্যকৰি কৰিব পৰা নাছিল। ৰছুলুল্লাহ (ছাঃ)য়ে ইছলামী বাহিনীৰ পতাকা হজৰত আলি (ৰাঃ)ৰ হাতত দিছিল আৰু নিজৰ ওচৰত জমা হৈ থকা কেইজন মান চাহাবাৰ সৈতে গঠিত ইছলামী সৈন্যৰ বাহিনী এটা লৈ এনেকুৱা ৰণ দিছিল যে মুশৰিকৰ বাহিনী তৰানৰা ছিঙি পলাবলৈ বাধ্য হৈছিল। এনেতে যুদ্ধ ময়দানত উপস্থিত হৈ থকা ছেদেলি-ভেদেলি হৈ পৰা ইছলামী সৈন্যৰ ফালে আগবাঢ়ি গৈ সকলোকে জমা কৰি লয় যিসকলে আঁহজৰত (ছাঃ)ৰ শ্বাহাদতৰ মিছা খবৰত নিৰাশ হৈ অস্ত্ৰ সামৰি বহিছিল। তেতিয়া মক্কাৰ মুশৰিক বাহিনীয়ে মুছলমান সৈন্যৰ ওভতি অহা বন্ধ কৰিবলৈ তীব্ৰ আক্ৰমণ চলায় যদিও ৰছুলুল্লাহ (ছাঃ)ৰ যুদ্ধ কৌশল আৰু বুদ্ধিমত্তাৰ বলত এমুঠি সৈন্যলৈ কান্ধত কান্ধ মিলাই শত্ৰুৰ আক্ৰমণ প্ৰতিহত কৰি বিস্ময়কৰ ভাৱে নিজ ঘাটিৰ ফালে আগবাঢ়ি গৈছিল। শত্ৰু সৈন্যই মুছলমান বাহিনীক ঘেৰাও কৰিবলৈ পূৰ্ণ শক্তি প্ৰয়োগ কৰে যদিও আঁহজৰত (ছাঃ)য়ে আক্ৰমণকাৰীৰ আক্ৰমণ ভেদ কৰি ঘাটিলৈ যোৱাৰ বাট বনাই লৈছিল।

উহুদৰ যুদ্ধৰ দিনা মুছলমান বাহিনী ক্ষণিক সময়ৰ বাবে তন্দ্ৰাছন্ন হোৱাৰ কথাও বৰ্ণনাত পোৱা যায়। হজৰত জুবেৰ বিন আউৱাম (ৰাঃ) আৰু হজৰত কাআব বিন উমৰু আনছাৰী (ৰাঃ)য়ে তন্দ্ৰাছন্ন হোৱাৰ বৰ্ণনা কৰিছে যে কেনেদৰে খোদা তা'লাই এই তন্দ্ৰাৰ জৰিয়তে মুছলমান সকলক বিশ্ৰাম কৰোৱাইছিল। হজৰত আবু তালহা (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে উহুদৰ যুদ্ধৰ দিনা মই মূৰ দাঙি চাই দেখিছিলো যে প্ৰত্যেক জনেই নিজৰ ঢালৰ আঁৰত মূৰ লুকাই তল ফালে জুকি আছে। গোটেই বাহিনী এটা সময়তে ক্ষণিকৰ বাবে টোপনি গৈছিল, অথচ যুদ্ধ কিন্তু চলিয়ে আছিল আৰু শত্ৰু সকলে বৰ বিপদজ্জনক পৰিস্থিতি সৃষ্টি কৰিছিল। এয়া কোনো হঠাতে ঘটা ঘটনা নহয় এয়া আছিল এটা ম'জিজা স্বৰূপ ঘটনা।

আন এটা ৰিৱায়ত অনুযায়ী উহুদৰ যুদ্ধৰ দিনা হুজুৰ (ছাঃ)ৰ মুখমণ্ডলত তৰোৱালেৰে সত্তৰটা আঘাত হনা হৈছিল। কিন্তু আল্লাহ তা'লা এই সকলোবোৰ আঘাতৰ পৰা তেখেত (ছাঃ)ক নিৰাপদ ৰাখিছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে যুদ্ধত বীৰ বুলি তাকেই কোৱা হৈছিল যিজনে আঁহজৰত (ছাঃ)ৰ ওচৰত থাকি যুঁজ কৰিছিল। কাৰণ আঁহজৰত (ছাঃ)য়ে সদায় বিপদজ্জনক স্থানত অৱস্থান কৰি গৈছিল। ছুবহানাল্লাহ, কিমানেই বীৰত্বৰ অধিকাৰী আছিল। উহুদৰ ময়দানত দেখিবলৈ পোৱা গৈছিল তৰোৱালৰ ওপৰত পৰি আছে। এনেকুৱা তুমুল যুদ্ধ চলিছিল যে চাহাবা সকলে তিষ্টি থাকিবলৈ প্ৰায় অপৰাগ হৈ পৰিছিল, সেই ময়দানত মৰ্দে ময়দান বুকু টান কৰি আঘাতৰ প্ৰত্যত্তুৰ দি গৈছিল। উহুদৰ ময়দানত চাহাবা সকলৰ কোনো দোষ নাছিল, আল্লাহ তা'লা তেওঁলোকক ক্ষমা কৰক। উহুদৰ ময়দানত ৰহস্য আছিল যে আল্লাহৰ ৰছুলৰ বীৰত্বৰ আদৰ্শ আল্লাহ তা'লা প্ৰকাশিত কৰিব।

উহুদৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা ইনশা আল্লাহ আগলৈ চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কেইজনমান মৰহুমিনৰ বিষয়ে চমু বৰ্ণনা দি নামাজে জানাজা পঢ়াৰ ঘোষণা কৰে। উক্ত মৰহুমিন সকলৰ মাজত আছে এজন পেলেষ্টাইনৰ আহমদী ভাই নাম মহম্মদ আকাশা চাহাব। এখেতক নিষ্ঠুৰ ভাৱে মূৰত গুলী মাৰি শ্বহীদ কৰি দিয়া হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে জনাবৰ জীৱনী সম্পৰ্কে বৰ্ণনা কৰাৰ পিছত কয় যে আল্লাহ তা'লা তাৰ মৰ্যাদা উন্নীত কৰক, তাৰ সতি সন্তানক তাৰ দোৱাৰ অংশীদাৰ বনাওক আৰু প্ৰকৃত ইছলাম বুজি পোৱাৰ

তৌফিক দান কৰক আৰু শান্তি, নিৰাপত্তা দেখাৰ তৌফিক দান কৰক।

আল্লাহ্ তা'লা পেলেষ্টাইনৰ চৰজমিনত শান্তি প্ৰতিষ্ঠা কৰক লগতে অত্যাচাৰীৰ হাত দমন কৰক আৰু অত্যাচাৰৰ অন্ত পেলাওক। ইজৰাইলে লেবাননৰ সীমাত গৈ হিজবুল্লাহৰ বিৰুদ্ধে যুদ্ধত আখৰা কৰি আছে, যাৰ দ্বাৰা পৰিস্থিতি বেয়াৰ ফালে ঢাল খাই আছে। এনেদৰে আমেৰিকাই আৰু বৃটেইনে হুতি ইয়ামিন কোবায়েলৰ বিৰুদ্ধে যুদ্ধ ময়দান খুলি আছে। এই কামবোৰে যুদ্ধক ভয়াবহ ৰূপ দি আছে। যাৰ ফলত সকলো লিখক সকলে বিশ্বযুদ্ধৰ পূৰ্বাভাষ দি আছে। গতিকে বহুত দোৱাৰ প্ৰয়োজন আছে। আল্লাহ তা'লা মানৱজাতিক প্ৰজ্ঞা দান কৰক আৰু বুজি পোৱাৰ সামৰ্থ্য দান কৰক।

ইয়াৰ ওপৰি মকৰমা আমতুল নছিৰ জাফৰ চাহিবা পত্নী মকৰম হায়দৰ আলী জাফৰ চাহাব, মকৰমা নছিম আখতাৰ চাহিবা পত্নী হবিবুল্লা চাহাব, আৰু মকৰমা মোবাৰকা বেগম চাহিবা পত্নী ৰাশিদ আহমদ জমিৰ চাহাবৰ বিষয়েও চমু বিৰৰণ দিয়ে আৰু মৰহুমিন সকলৰ মৰ্যদা প্ৰাপ্তিৰ বাবে দোৱা কৰি মাগফেৰাত কামনা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 12 JAN 2024**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**